# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 05**-06-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ ছুৰাটত ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰি শক্তি খণ্ডত ভাৰত আত্মনিৰ্ভৰ হোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

২। গৃহমন্ত্ৰী অমিত শ্বাহে দেশৰ সৰ্বাত্মক বিকাশৰ পূৰ্বে ৰাষ্ট্ৰক সুৰক্ষিত কৰি তোলাতো অত্যন্ত প্ৰয়োজন বুলি মত প্ৰকাশ কৰিছে।

৩। ১২ গৰাকী নতুন কেবিনেট মন্ত্ৰীৰ শপতগ্ৰহণেৰে আজি অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হয়।

৪। গৃহ মন্ত্ৰালয়ে ২০২৭ বৰ্ষৰ পদ্ম বঁটাৰ বাবে আবেদনৰ অন্তিম দিন অহা ৩১ জুলাই ধাৰ্য কৰিছে। ***আৰু***

৫। ভাৰতে চলিত বৰ্ষৰ পুৰুষৰ ১৮ বছৰ অনুৰ্ধ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০ৰ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শক্তি খণ্ডত আত্মনিৰ্ভৰ হোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। সমগ্ৰ বিশ্বই সেউজ ভৱিষ্যতৰ দিশে গতি কৰিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে পৰিৱেশতন্ত্ৰৰ সংৰক্ষণৰ সৈতে অৰ্থনৈতিক বিকাশৰ ভাৰসাম্যতা ৰক্ষা কৰি ভাৰতে  এই ক্ষেত্ৰত সক্ৰিয়ভাৱে প্ৰতিনিধিত্ব কৰি আহিছে।

গুজৰাটৰ ছুৰাটত ১৮ হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ পাছত এখন জনসভাক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে দেশৰ ২৫০ গিগাৱাট মুঠ নৱীকৰণযোগ্য শক্তি ক্ষমতাৰ ৫০ গিগাৱাটে গুজৰাটত উৎপাদন হয়। তেওঁ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে জনসাধাৰণক একতাৰে কাম কৰি যাবলৈ আহ্বান জনায়।

বিশ্ব পৰিৱেশ দিৱসৰ দিনা তেওঁ দেশৰ অন্যতম স্বচ্ছ নগৰ চুৰাটত উপস্থিত থকাৰ বাবে আনন্দ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয়, যে দেশৰ ৰাজ্যসমূহৰ ভিতৰত গুজৰাটে বহুবছৰ আগতে অগ্ৰণি পদক্ষেপ গ্ৰহণ কৰিছে।  এই শতিকাৰ আৰম্ভণিতে গুজৰাটে নৱীকৰণযোগ্য শক্তিৰ বাবে সমৰ্পিত চৰকাৰী বিভাগ স্থাপন কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে গুজৰাটৰ পাটান জিলাৰ চৰংকা গাঁৱত দেশৰ প্ৰথম সৌৰ উদ্যান বিকশাই তোলা হৈছিল। এই পদক্ষেপে গুজৰাটত দেশৰ নৱীকৰণয্যোগ্য শক্তি আন্দোলনৰ ঐতিহাসিক স্থল হিচাপে পৰিগণিত কৰিছে।

চুৰাটত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰীয়ে আজি প্ৰথমে  হাজিৰালৈ যায় আৰু তাত তেওঁ নিৰ্মীয়মান ঔদ্যোগিক আৰু আন্তঃগাঁথনি প্ৰকল্পৰ পৰ্যালোচনা চলায়।

শ্ৰীমোদীয়ে দমনত দুহেজাৰ ৯৭০ কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্য, অসামৰিক বিমান পৰিবহণ, পৰ্যটন, আন্তঃগাঁথনি, যোগাযোগ আৰু

জনকল্যাণ খণ্ডৰ প্ৰকল্প অন্যতম। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে নমো বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱন আৰু নমো চিকিৎসালয়কৈ ধৰি প্ৰায় এহেজাৰ ৩৪০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰে। তেওঁ লক্ষদ্বীপৰ বাবে গুৰুত্বপূৰ্ণ সামুদ্ৰিক প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। বিমান বন্দৰৰ এই নতুন টাৰ্মিনেলে দমনৰ আঞ্চলিক বিমান যোগাযোগ শক্তিশালী কৰাৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশতো অৰিহণা যোগাব।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনৰ ভিতৰত এখন বিকশিত ভাৰত গঢ়াৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। ত্ৰিপুৰাৰ ভাৰত বাংলাদেশ সীমাত অৱস্থিত লংকামুৰা সীমান্ত চকীত আজি আয়োজিত **প্ৰহৰী সন্মিলনক** সম্বোধন কৰি গৃহমন্ত্ৰীগৰাকীয়ে এইকথা প্ৰকাশ কৰে। শ্ৰীশ্বাহে সৰ্বাত্মক বিকাশৰ বাবে পূৰ্বে ৰাষ্ট্ৰক সুৰক্ষিত কৰি তোলাতো অত্যন্ত প্ৰয়োজন বুলি উল্লেখ কৰে। তেওঁ মাদক দ্ৰব্য সৰবৰাহ, মানৱ সৰবৰাহ, পশুধনৰ সৰবৰাহ আদি প্ৰত্যাহ্বানসমূহ সম্পূৰ্ণ নিঃশেষ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে যুৱ প্ৰজন্মক মাদক দ্ৰব্যৰ কবলৰ পৰা মুক্ত কৰা আৰু ৰাষ্ট্ৰৰ অৰ্থনীতিক দুৰ্বল কৰাৰ বাবে জাল নোটৰ প্ৰচলন বন্ধ কৰাতো সমানে গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। শ্ৰীশ্বাহে সীমান্তৰ সিপাৰৰ অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে স্মাৰ্ট সীমান্ত প্ৰকল্প ৰূপায়ণ কৰাৰ কথা ঘোষণা কৰে। তেওঁ কয় যে এই প্ৰকল্পই পৰম্পৰাগত সীমান্ত ব্যৱস্থাপনা প্ৰযুক্তিচালিত শৃংখলিত পৰিকাঠামোলৈ পৰিৱৰ্তন কৰিব বুলি উল্লেখ কৰে। স্মাৰ্ট সীমান্ত প্ৰকল্প ৰূপায়ণ অন্তিম পৰ্যায়ৰ কাম-কাজ চলি থকাৰ কথা উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে অহা বছৰ অঞ্চলটোত ৭ ৰ পৰা ৮ টা স্পৰ্শকাতৰ স্থানত এটা পাইলট প্ৰক ল্প মুকলি কৰা হ'ব, য'ত সীমান্ত সুৰক্ষা বাহিনী আৰু এছ্ এছ্ বিক নিয়োগ কৰা হ'ব। তেওঁ ভাৰত-বাংলাদেশ সীমান্তৰ স্পৰ্শকাতৰ অঞ্চলসমূহত সেৱা আগবঢ়াই অহা বি এছ্ এফৰ জোৱানসকলক ভূয়সী প্ৰশংসা কৰে।

বিশ্ব পৰিবেশ দিৱস উপলক্ষে গৃহমন্ত্ৰীয়ে লংকামুৰাত বি এছ্ এফে আয়োজন কৰা এটা গছপুলি ৰোপণ অভিযানতো অংশগ্ৰহণ কৰে। আঞ্চলিক, ভৌগলিক প্ৰত্যাহ্বানসমূহৰ বিষয়ে উল্লেখ কৰি শ্ৰীশ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে এই সমস্যা সমাধান কৰাৰ বাবে দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ। এই অবৈধ ভৌগলিক প্ৰত্যাহ্বানসমূহ প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰে সীমান্তৰ কাইটীয়া বেৰসমূহ আধুনিক কৰাৰ দিশক অগ্ৰাধিকাৰ দিছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে চৰকাৰে ত্ৰিপুৰাত নতুনকৈ নিৰ্মাণ কৰিবলগীয়া ১১৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ কাইটীয়া তাঁৰৰ বেৰৰ বাবে ইতিমধ্যে পুজি আৱণ্টন দিছে। এই বেৰ নিৰ্মাণৰ প্ৰথম পৰ্যায়ৰ কাম-কাজ ইতিমধ্যে আৰম্ভ হৈছে। আজিৰ এই পৰ্যালোচনা বৈঠকত ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহা, বি এছ্ এফৰ সঞ্চালক প্ৰধান প্ৰবীন কুমাৰকে ধৰি বহুকেইগৰাকী উচ্চ পদস্থ বিষয়া উপস্থিত থাকে।

০০০০০

১২ গৰাকী নতুন কেবিনেট মন্ত্ৰীৰ শপতগ্ৰহণেৰে আজি অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হয়। গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰীসকলক শপতবাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে এন ডি এ মিত্ৰজোঁটৰ মন্ত্ৰী-বিধায়ক তথা দলীয় নেতা-কৰ্মীসকল উপস্থিত থাকে। মন্ত্ৰীসভাত স্থান লাভ কৰা বিধায়ককেইগৰাকী হৈছে অশ্বিনী ৰায় চৰকাৰ, জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কেশৱ মহন্ত, কৃষ্ণেন্দু পাল, নিলীমা দেৱী, পিয়ুষ হাজৰিকা, ডাঃ ৰণোজ পেগু আৰু সুশান্ত বৰগোহাই। সম্প্ৰসাৰিত মন্ত্ৰীসভাত স্থান লাভ কৰা ৪ গৰাকী

বিধায়ক নিলীমা দেৱী, বিশ্বজিৎ দৈমাৰী, সুশান্ত বৰগোহাই আৰু অশ্বিনী ৰায় চৰকাৰে প্ৰথমবাৰৰ বাবে মন্ত্ৰীত্ব লাভ কৰিছে। নতুনকৈ মন্ত্ৰীত্ব লাভ কৰাসকলৰ ভিতৰত নিলীমা দেৱী একমাত্ৰ মহিলা বিধায়ক।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি আনুষ্ঠানিকভাৱে ঘোষণা কৰা সম্প্ৰসাৰিত মন্ত্ৰীসভাত এন ডি এৰ ১২ গৰাকী বিধায়কৰ ভিতৰত কেশৱ মহন্ত অসম গণ পৰিষদ দলৰ আৰু আন ১১ গৰাকী বিজেপিৰ বিধায়ক। ইয়াৰ লগে লগে অসম মন্ত্ৰীসভাত মন্ত্ৰীৰ সংখ্যা ১৭ লৈ বৃদ্ধি পালে। সংবিধান অনুসৰি মুখ্যমন্ত্ৰীকে ধৰি অসমত সৰ্বাধিক ১৯ গৰাকী বিধায়কে মন্ত্ৰীত্ব লাভ কৰিব পাৰে। বিধানসভা নিৰ্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে পুনৰবাৰ ক্ষমতা দখল কৰা বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে এমাহৰ ভিতৰত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটায়। অতি সোনকালেই মন্ত্ৰীসকলক তেঁওলোকৰ বিভাগসমূহ বিতৰণ কৰাৰ সম্ভাৱনা আছে।

ooooo

গৃহ মন্ত্ৰালয়ে ২০২৭ বৰ্ষৰ পদ্ম বঁটাৰ বাবে আবেদনৰ অন্তিম দিন অহা ৩১ জুলাই ধাৰ্য কৰিছে। মন্ত্ৰালয়ে জনাইছে যে, মনোনয়ন প্ৰক্ৰিয়াসমূহ ইতিমধ্যে যোৱা ১৫ মাৰ্চৰ পৰা আৰম্ভ হৈছে। আবেদনসমূহ ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৰ্টেলত অনলাইনযোগে দাখিল কৰিব লাগিব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্ম ভূষণ, পদ্মশ্ৰী বঁটা দেশৰ সৰ্বোচ্চ অসামৰিক বঁটাৰ অন্যতম। ১৯৫৪ চনৰ পৰা এই বঁটা আগবঢ়াই অহা হৈছে। প্ৰতিবছৰে গণতন্ত্ৰ দিৱসৰ দিনা এই বঁটা ঘোষণা কৰা হয়। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, ঔষধ, সমাজ সেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, ৰাজহুৱা পৰিক্ৰমা, অসামৰিক সেৱা, ব্যৱসায় আৰু উদ্যোগখণ্ডত আগবঢ়াই অহা বিশেষ অৰিহণা আৰু সফলতাৰ বাবে নিৰ্বাচিত ব্যক্তিসকলক এই বঁটাসমূহ আগবঢ়োৱা হয়। মন্ত্ৰালয়ে জনসাধাৰণক নিজৰ মনোনয়ন দাখিল কৰাৰ লগতে মনোনয়ন আৰু পৰামৰ্শ প্ৰদান প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ আহ্বান জনাইছে।

ooooo

নেপালৰ বৈদেশিক মন্ত্ৰী ছিছিৰ খানাল তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হয়। বিদেশ মন্ত্ৰী ড° এচ জয়শংকৰৰ আমন্ত্ৰণ মৰ্মে তেওঁ ভাৰত ভ্ৰমণ কৰিছে। নতুন দিল্লীত আজি দুপৰীয়া এখন সংবাদমেলত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে কাইলৈ দুয়োৰাকী বিদেশ মন্ত্ৰীৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। উন্নয়নমূলক সহযোগিতাকে ধৰি বাণিজ্য আৰু বিনিয়োগলৈকে বিভিন্ন খণ্ডত ভাৰতৰ নেপালৰ সৈতে থকা ব্যাপক কাৰ্যসূচীৰ বিষয়েও শ্ৰীজয়ছোৱালে আলোকপাত কৰে। নেপালৰ সৈতে বহুপাক্ষিক অংশীদাৰিত্ব শক্তিশালী কৰি তোলাত ভাৰত আগ্ৰহী বুলিও তেওঁ প্ৰকাশ কৰে।

ooooo

ভাৰতে চলিত বৰ্ষৰ পুৰুষৰ ১৮ বছৰ অনুৰ্ধ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। জাপানৰ কাকামিগাহাৰাত অনুষ্ঠিত ছেমিফাইনেলত পাকিস্তানক ৫-৩ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। কাইলৈ হ'বলগীয়া ফাইনেল খেলত ভাৰত জাপানৰ সন্মুখীন হ'ব। প্ৰতিযোগিতাত তৃতীয় স্থানৰ বাবে পাকিস্তান আৰু মালয়েছিয়াৰ মাজত খেল অনুষ্ঠিত হ'ব।

ইপিনে ভাৰতৰ ১৮ বছৰ অনুৰ্ধ মহিলা দলটো প্ৰতিযোগিতাৰ ছেমি ফাইনেলত চীনৰ হাতত পেনাল্টী শ্বুট আউটত পৰাস্ত হয়।

ooooo

ঃঃ সমাপ্ত ঃঃ